জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৩৭/২০২০

# ডিব্ৰুগড় চহৰৰ মোহনাঘাটত হোৱা খহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগ আৰু ডিব্ৰুগড় জিলা প্ৰশাসনক তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৯ জুনঃ** ডিব্ৰুগড় চহৰৰ মোহনাঘাটত হোৱা খহনীয়া প্ৰতিৰোধৰ বাবে তাৎক্ষণিক আৰু ফলপ্ৰসূ ব্যৱস্থা লোৱাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে জলসম্পদ বিভাগ তথা ডিব্ৰুগড় জিলা প্ৰশাসনক নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে এই খহনীয়া প্ৰতিৰোধৰ বাবে স্থানীয় ৰাইজক আস্থাত লৈ পদক্ষেপ গ্ৰহণৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে এই খহনীয়া প্ৰতিৰোধৰ বাবে পৰ্যাপ্ত খহনীয়া প্ৰতিৰোধী সামগ্ৰী ইয়াৰ নিকটৱৰ্তী স্থানত মজুত কৰি ৰখাৰ বাবেও নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে এই খহনীয়া প্ৰতিৰোধৰ বাবে প্ৰয়োজন হ'লে দিনে-নিশাই চিফটিং ভিত্তিত কাম কৰাৰ বাবেও নিৰ্দেশ দিয়ে যাতে এই অঞ্চলৰ জনসাধাৰণ সুৰক্ষিত হৈ থাকে। মুখ্যমন্ত্ৰীয়ে লগতে এই খহনীয়া এলেকাত অহৰ্নিশে চোকা নিৰীক্ষণ কৰাৰ বাবেও নিৰ্দেশ দিয়ে যাতে সময় সাপেক্ষভাৱে ইয়াৰ প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়।

**সুঃদঃ / বঃভাঃ / প্ৰঃকুঃবঃ**
**১৯/৬/২০২০**